Total No. of Printed Pages—15

## 5 SEM TDC DSE COM (CBCS) 502 GR–I

**2 0 2 2**

( Nov/Dec )

COMMERCE

( Discipline Specific Elective )

( For Honours and Non-Honours )

Paper : DSE–502 (Group—I)

**( Advanced Financial Accounting )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** *(a)* খালী ঠাইবোৰ পূৰণ কৰা : 1×4=4

Fill in the blanks :

*(i)* বেংকিং কোম্পানীৰ তালিকা–1 _____ লগত জড়িত।

Schedule–1 of banking companies deals with _____.

*(ii)* জীৱন বীমা ব্যৱসায় ভাৰতীয় জীৱন বীমা নিগমৰ দ্বাৰা _____ ৰ পৰা পৰিচালিত হৈছে।

Life insurance business is carried on by Life Insurance Corporation of India since _____.

*(iii)* অগ্নি বীমাৰ ক্ষেত্ৰত অপূৰ্ণ দায়িত্ব সংচিতিৰ হাৰ হৈছে নিগুট অধিহাৰৰ ওপৰত _____%.

In case of fire insurance, the provision for unexpired risk is maintained at _____% of net premium.

*(iv)* ধাৰণৰ সময় হৈছে এক প্ৰকাৰৰ _____ ।

Period of holding is a type of _____.

*(b)* সঁচা নে মিছা লিখা : 1×4=4

Write True or False :

*(i)* নিম্নমানক, সন্দেহজনক আৰু ক্ষতি হোৱা সম্পত্তিসমূহ অনা-প্ৰদৰ্শিত সম্পত্তিৰ বিভিন্ন প্ৰকাৰ।

Substandard, doubtful and loss assets are types of non-performing assets.





*(ii)* জীৱন বীমাৰ চুক্তিসমূহ হৈছে ক্ষতিপূৰণৰ চুক্তি।

Life insurance contracts are contracts of indemnity.

*(iii)* সাধাৰণ বীমা পলিচিসমূহ সাধাৰণতে দীৰ্ঘ সময়ৰ বাবে বিলি কৰা হয়।

General insurance policies are normally issued for long terms.

*(iv)* অন্তৰ্ভুক্ত লাভাংশ মূল্য বিনিয়োগৰ প্ৰকৃত মূল্য নহয়।

Cum-dividend price is not the real price of investment.

**2.** চমু টোকা লিখা (যি কোনো চাৰিটা) : 4×4=16

Write short notes on (any *four*) :

*(a)* বেংকৰ শ্লিপ পদ্ধতিৰ ভুক্তিকৰণ

Slip system of posting in bank

*(b)* বীমা ৰেগুলেটৰী আৰু উন্নয়ন কৰ্তৃপক্ষ

Insurance regulatory and development authority

(c) দ্বি-বীমা আৰু পুনৰ বীমা

Double insurance and reinsurance

(d) অপূৰ্ণ নহিহু সঞ্চিতিৰ জমা ধন

Reserve for unexpired risks

(e) অন্তৰ্ভুক্ত লাভাংশ আৰু বহিৰ্ভূত লাভাংশ

Cum-dividend and ex-dividend

3. (a) এটা বেংকিং কোম্পানীৰ সৈতে সম্পৰ্ক থকা তলত দিয়া বিষয়সমূহ আলোচনা কৰা : 3½×4=14

Discuss the following items relating to a banking company :

(i) বাট্টাকৃত বিলৰ ওপৰত ৰেহাই

Rebate on Bills Discounted

(ii) নগদ জমাধনৰ অনুপাত

Cash Reserve Ratio

(iii) ভুক্তিকৰণ স্লিপ

Pay-in-slip

(iv) মানবিশিষ্ট সম্পত্তি

Standard Assets





অথবা / Or

(b) তলত দিয়া তথ্যসমূহৰ পৰা 31 মাৰ্চ, 2022 তাৰিখে অন্ত পৰা বছৰটোৰ বাবে ভাৰত বেংক লিমিটেডৰ লাভ-লোকচানৰ হিচাপ প্ৰস্তুত কৰা : 14

From the following information, prepare Profit & Loss A/c of Bharat Bank Ltd. for the year ended on 31st March, 2022 :

| | টকা ('000) ₹ ('000) |
|---|---|
| ঋণৰ ওপৰত সুত<br>Interest on Loans | 300 |
| স্থায়ী জমাৰ ওপৰত সুত<br>Interest on Fixed Deposits | 275 |
| দস্তুৰি<br>Commission | 10 |
| বিনিয়োগ আৰু দালালি<br>Exchange and Brokerage | 20 |
| দৰমহা আৰু ভাট্টাসমূহ<br>Salaries and Allowances | 150 |
| বাট্টাকৃত বিলৰ ওপৰত বাট্টা<br>Discount on Bills Discounted | 152 |

| | টকা ('000) ₹ ('000) |
|---|---|
| চলিত হিচাপত অস্থায়ী বেংক অধিবিকৰ্ষৰ ওপৰত সুত<br>Interest on Temporary Overdrafts in Current A/cs | 30 |
| নগদ ধাৰৰ ওপৰত সুত<br>Interest on Cash Credit | 240 |
| সঞ্চয়ী বেংক জমাৰ ওপৰত সুত<br>Interest on Savings Bank Deposits | 87 |
| ডাক খৰছ, ইত্যাদি<br>Postage, etc. | 10 |
| ছপা আৰু মনোহাৰী<br>Printing and Stationery | 20 |
| বিবিধ খৰছসমূহ<br>Sundry Expenses | 10 |
| ভাড়া<br>Rent | 10 |
| কৰ আৰু অনুজ্ঞাপত্ৰ খৰছ<br>Taxes and Licences | 15 |
| হিচাপ পৰীক্ষণ খৰছ<br>Audit Fees | 10 |



( Continued )



সমযোজনাসমূহ :

*Adjustments to be made :*

(i) বাট্টাকৃত বিলৰ ওপৰত ৰেহাই—30,000 টকা

Rebate on bills discounted—₹ 30,000

(ii) পৰিচালন সঞ্চালকৰ দৰমহা—30,000 টকা

Salary to managing director—₹ 30,000

(iii) অনুদ্ধাৰণীয় ঋণ—40,000 টকা

Bad debts—₹ 40,000

(iv) আয়কৰ সংচিতিৰ বাবে 40% হাৰত ব্যৱস্থা কৰিব লাগে (কাষৰ হেজাৰৰ অংকলৈ এই ৰাশি পৰিবৰ্তিত কৰিব লাগে)

Provision for income tax to be made @ 40% (to be rounded off to nearest thousands)

(v) সন্দেহজনক ঋণৰ ওপৰত সুতৰ পৰিমাণ 4,000 টকা ভুলবশতঃ ঋণৰ ওপৰত সুতৰ হিচাপত প্ৰেৰণ কৰা হয়

Interest of ₹ 4,000 on doubtful debts was wrongly credited to interest on Loans Accounts



[ Turn

4\. (a) এটা জীৱন বীমা কোম্পানীৰ লগত জড়িত তলত দিয়া বিষয়বোৰ ব্যাখ্যা কৰা : $3\frac{1}{2}\times4=14$

Explain the following relating to a Life Insurance Company :

(i) সমৰ্পণ মূল্য

Surrender Value

(ii) প্ৰদত্ত বাৰ্ষিকীৰ বাবে প্ৰাপ্ত মূল্য

Consideration for Annuities Granted

(iii) মূল্যাংকন উদ্বৃত্ত-পত্ৰ

Valuation Balance Sheet

(iv) জীৱন বীমা পুঁজি

Life Assurance Fund

অথবা / Or

(b) (i) তলত দিয়া তথ্যসমূহ 31 মাৰ্চ, 2022 তাৰিখে অন্ত পৰা বছৰটোৰ বাবে ব্ৰাইট জীৱন বীমা কোম্পানী লিমিটেডৰ হিচাপ বহীৰ পৰা আহৰণ কৰা হৈছে :

Following figures are extracted from the books of Bright Life Assurance



( Continued )



Co. Ltd. for the year ended on 31st March, 2022 :

| | টকা (₹) |
|---|---|
| কিস্তি ধন বিয়োগ পুনৰ বীমা কিস্তি ধন<br>Premium less Reinsurance Premium | 42,90,000 |
| দাবী ধন বিয়োগ পুনৰ বীমা দাবী ধন<br>Claims less Reinsurance Claims | 25,50,000 |
| পুনৰ বীমা অপ্ৰাপ্য<br>Reinsurance Irrecoverable | 12,000 |
| প্ৰদত্ত বাৰ্ষিকীৰ বাবে প্ৰাপ্ত মূল্য<br>Consideration for Annuities Granted | 1,20,000 |
| বাৰ্ষিক বৃত্তি পৰিশোধ কৰা হয়<br>Annuities Paid | 37,500 |
| সমৰ্পণ মূল্য<br>Surrenders | 2,40,000 |
| দস্তুৰি<br>Commission | 1,65,000 |
| ৰিভাৰ্চন পুনৰ মূল্যায়নত ৰাহি<br>Surplus on Revaluation of Reversions | 15,000 |
| সুত, লাভাংশ আৰু ভাড়া<br>Interest, Dividends and Rents | 21,00,000 |



( Turn C

| | টকা (₹) |
|---|---|
| আয়কৰ<br>Income Tax | 3,30,000 |
| পৰিচালনা ব্যয়<br>Management Expenses | 5,25,000 |

প্ৰকৃত দেনা সকলো চুক্তিৰ ওপৰত 31 মাৰ্চ, 2022 তাৰিখে ন্যস্ত আছিল 72,00,000 টকা আৰু 31 মাৰ্চ, 2021 তাৰিখে এনে দেনাৰ পৰিমাণ আছিল 63,00,000 টকা।

The net liability on all contracts in force as on 31st March, 2022 was ₹ 72,00,000 and on 31st March, 2021, the liability was ₹ 63,00,000.

IRDA ৰেগুলেছন, 2013 অনুসৰি তুমি ৰাজহৰ হিচাপ প্ৰস্তুত কৰা।

(টোকা : তালিকাসমূহ প্ৰস্তুত কৰাৰ প্ৰয়োজন নাই) 10

You are required to prepare Revenue A/c according to the IRDA Regulations, 2013.

(Note : Schedules need not be prepared)





(ii) জীৱন বীমা আৰু সাধাৰণ বীমাৰ মাজৰ পাৰ্থক্যসমূহ উল্লেখ কৰা। 4

Distinguish between Life Insurance and General Insurance.

5. (a) তলত দিয়া তথ্যসমূহ হৈছে লুইত অগ্নি বীমা কোম্পানী লিমিটেডৰ 31 মাৰ্চ, 2022 তাৰিখৰ তথা ইয়াৰ ওপৰত ভিত্তি কৰি ৰাজহৰ হিচাপ প্ৰস্তুত কৰা য'ত প্ৰকৃত বীমা কিস্তিৰ ওপৰত 40% দৰত অপূৰ্ণ দায়িত্বৰ সংচিতিৰ বাবে আৰু 3,50,000 টকাৰ অতিৰিক্ত সংচিতিৰ ব্যৱস্থা কৰিব লাগিব : 14

From the following information as on 31st March, 2022 of Luit Fire Insurance Co. Ltd., prepare Revenue A/c reserving 40% of the net premiums for unexpired risks and an additional reserve of ₹ 3,50,000 :

| | টকা (₹) |
|---|---|
| 31 মাৰ্চ, 2021 তাৰিখত অপূৰ্ণ দায়িত্ব সংচিতি<br>Reserve for unexpired risk on 31st March, 2021 | 7,50,000 |
| 31 মাৰ্চ, 2021 তাৰিখত অতিৰিক্ত সংচিতি<br>Additional reserve on 31st March, 2021 | 1,50,000 |
| দাবী পূৰণ<br>Claims paid | 9,60,000 |

| | টকা (₹) |
|---|---|
| 31 মাৰ্চ, 2021 তাৰিখত অনাদায়ী দাবীৰ ক্ষেত্ৰত নিৰ্ধাৰিত দেনা | 97,500 |
| Estimated liability in respect of outstanding claim on 31st March, 2021 | |
| 31 মাৰ্চ, 2022 তাৰিখত অনাদায়ী দাবীৰ ক্ষেত্ৰত নিৰ্ধাৰিত দেনা | 1,35,000 |
| Estimated liability in respect of outstanding claims on 31st March, 2022 | |
| পৰিচালনাৰ ব্যয় (দাবীৰ শিতানৰ 45,000 টকাসহ) | 4,20,000 |
| Expenses of management (including ₹ 45,000 in connection with claims) | |
| পুনৰ বীমা কিস্তি পৰিশোধ | 1,12,500 |
| Reinsurance premium paid | |
| পুনৰ বীমা পুনঃপ্ৰাপ্তি | 30,000 |
| Reinsurance recoveries | |
| বীমা কিস্তি | 16,80,000 |
| Premiums | |
| সুত আৰু লাভাংশ (মুঠ) | 75,000 |
| Interest and dividend (gross) | |
| বিনিয়োগ বিক্ৰীৰ পৰা হোৱা লাভ | 15,000 |
| Profit on sale of investments | |
| দস্তুৰি | 1,75,000 |
| Commission | |





অথবা / Or

(b) (i) সাধাৰণ বীমা কোম্পানীসমূহৰ হিচাপৰ মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰা। 4

Point out the main features of accounts of General Insurance Companies.

(ii) বীমা আইনৰ অধীনত এটা সাধাৰণ বীমা কোম্পানীয়ে কোনবিলাক বিধিবদ্ধ হিচাপৰ বহীসমূহ ৰাখিব লাগে, উল্লেখ কৰা। 5

What are statutory books required to be maintained by a General Insurance Company under the Insurance Act?

(iii) এটা সাধাৰণ বীমা কোম্পানীৰ লাভ অথবা লোকচানৰ পৰিমাণ কেনেদৰে নিৰ্ধাৰণ কৰা হয়? 5

How is the profit or loss of a General Insurance Company ascertained?

6. (a) (i) বিনিয়োগ হিচাপ কি? ইয়াক কেনেদৰে প্ৰস্তুত কৰা হয়? এটা বিনিয়োগ হিচাপৰ বিশেষ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। 2+3+3=8

What is an Investment A/c? How is it prepared? Point out the special features of an Investment A/c.

(ii) ষ্টক বিনিময় লেনদেনসমূহ (প্ৰত্যাভূতিৰ বিক্ৰী আৰু ক্ৰয়) কেনেদৰে হিচাপ বহীত লিপিবদ্ধ কৰা হয়? 6

How are stock exchange transactions (sale and purchase of securities) recorded in books?

অথবা / Or

(b) তলৰ তথ্যসমূহ মিষ্টাৰ মনোহৰে তেখেতৰ প্ৰতিখন 100 টকীয়া দৰৰ 6% চৰকাৰী দলিল (bond)-ৰ সম্পৰ্কত দাখি ধৰিছে :

Mr. Manohar furnishes the following details relating to his holding in 6% Government Bonds of ₹ 100 each :

আৰম্ভণি স্থিতি লিখিত মূল্য 60,000 টকা যাৰ ক্ৰয়মূল্য 59,000 টকা

Opening balance face value ₹ 60,000 cost of which ₹ 59,000

01.03.2021 100 ইউনিট ক্ৰয় কৰা হয় সুত বহিৰ্ভূক্ত 98 টকা দৰত

100 units purchased ex-interest at ₹ 98

01.07.2021 200 ইউনিট সুত বহিৰ্ভুক্তভাৱে বিক্ৰী কৰা হয় মূল ধাৰণ প্ৰতিটো 100 টকা দৰত

Sold 200 units ex-interest out of the original holding at ₹ 100





01.10.2021 50 ইউনিট সুত অন্তৰ্ভুক্তিৰে ক্ৰয় কৰা হয় প্ৰতিটো 98 টকা দৰত

Purchased 50 units at ₹ 98 cum-interest

01.11.2021 200 ইউনিট সুত বহিৰ্ভুক্তভাৱে বিক্ৰী কৰা হয় মূল ধাৰণ 99 টকা দৰত

Sold 200 units ex-interest at ₹ 99 out of the original holdings

সুত নিৰ্ধাৰণৰ তাৰিখ হৈছে 30 চেপ্টেম্বৰ আৰু 31 মাৰ্চ। মিষ্টাৰ মনোহৰে 31 ডিচেম্বৰত প্ৰতি বছৰে হিচাপ বহী বন্ধ কৰে।

Interest dates are 30th September and 31st March. Mr. Manohar closes his books every 31st December.

তেওঁৰ বহীত বিনিয়োগ হিচাপ প্ৰস্তুত কৰা। 14

Show Investment A/c as it would appear in his books.

★★★